**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-11-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ অকাজানত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্ম সহায়ক গোটৰ সদস্যাসকলক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰিব। কিছু সময়ৰ পাছতে এই অনুষ্ঠান আৰম্ভ হ'ব।

০০০০০০০

অহা ২৫ নৱেম্বৰত আৰম্ভ হ'বলগীয়া অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোতে নেলী কাণ্ডৰ প্ৰতিবেদন সদনত দাখিলৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ১৯৮৩ চনত ৰাজ্যত সংঘটিত হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে গঠন কৰা ত্ৰিভূবন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদনৰ প্ৰতিলিপি বিধানসভা অধিৱেশনৰ প্ৰথম দিনটোতে দাখিল কৰা হ'ব।

০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ শাসনলৈ অহাটো নিশ্চিত হৈছে। এন ডি এ বৰ্তমানলৈকে ১৮৯ খন আসনত আগবাঢ়ি থকাৰ বিপৰীতে মহামিত্ৰজোঁটে ৫০ খন আসনত অগ্ৰগতি লাভ কৰিছে। ৰাজ্যখনৰ ৩৮ খন জিলাৰ ৪৬টা কেন্দ্ৰত পুৱা ৮ বজাৰ পৰা ভোটগণনা চলি আছে। প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হয় আৰু চাৰে ৮ বজাৰ পৰা ই ভি এমৰ ভোটসমূহ গণনা কৰা হৈছে।

০০০০০০০

আজি শিশু দিৱস। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰীলৈ জন্ম বাৰ্ষিকীত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো শিশু দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ড° শৰ্মাই শিশু পৃথিৱীৰ আটাইতকৈ প্ৰিয়তম উপহাৰ বুলি মন্তব্য কৰি প্ৰতিটো শিশুৰ কুশল কামনা কৰে।

তিনিচুকীয়া জিলাৰ ৰজাগড় মৌকোঁহ মইনা পাৰিজাতৰ সৌজন্যত শিশু দিৱস উপলক্ষে পুৱাৰ ভাগত জিলাভিত্তিত ১১ ৰ পৰা ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ মাজত মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাজ্যৰ সকলো বিদ্যালয়তে শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ ফলত হাজাৰ হাজাৰ গাহৰি নিধন কৰা হৈছে। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু বৃহৎ গাহৰি পালকসকলৰ যথেষ্ট ক্ষতি হৈছে। উজনি অসমৰ

বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। লখিমপুৰ জিলাত পশুপালন বিভাগে এই পৰ্যন্ত এহেজাৰ ৭০৬টা গাহৰি নিধন কৰিছে। জিলাখনৰ ২৯ টা স্থানৰ ৩৪ খন গাহৰি ফাৰ্মৰ গাহৰি নিধন কৰা হৈছে। জিলাখনত যোৱা ৯ নৱেম্বৰৰ পৰা গাহৰি মাংস বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

আফ্ৰিকান ছোৱাইন ফিভাৰৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে বহিঃৰাজ্যৰ পৰা অনা গাহৰি অসম-বংগ সীমান্তত পৰীক্ষাৰ পাছত সংক্ৰমণ ধৰা পৰিলে সেই ঠাইতে নিধন কৰাৰ সিদ্ধান্ত লৈছে। ৰাজ্য চৰকাৰে শীঘ্ৰেই গাহৰিৰ মাংস বিক্ৰীৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিব। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পলে এটা সংবাদমাধ্যমক জনোৱা মতে বিভিন্নি ঠাইত ছোৱাইন ফিভাৰৰ সংক্ৰমণ ৰোধৰ বাবে ব্যৱস্থা লোৱা হৈছে যদিও এই ৰোগৰ কোনো প্ৰতিষেধক নথকাৰ বাবে ইয়াৰ সংক্ৰমণ ক্ৰমান্বয়ে বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইয়ো এই পৰিস্থিতিৰ পৰ্যালোচনা কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। চৰকাৰে ক্ষতিগ্ৰস্ত সকলো গাহৰি পালকক ক্ষতিপূৰণ প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰে গাহৰি পালকসকলক ক্ষতিপূৰণ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৪ কোটি টকাৰ অনুদান বিচাৰিছে।

উল্লেখযোগ্য যে, ছোৱাইন ফিভাৰৰ ফলত ৰাজ্যত ৬ হাজাৰৰো অধিক গাহৰিৰ মৃত্যু হৈছে। প্ৰতিদিনে সংক্ৰমিত গাহৰি নিধন কৰা হৈছে আৰু বৰ্তমানলৈকে এই সংখ্যা ১৪ হাজাৰ ৬৯১লৈ বৃদ্ধি পাইছে।

০০০০০০০০০

জ্ঞানপীঠ বঁটা বিজয়ী প্ৰসিদ্ধ সাহিত্যিক মামণি ৰয়চম গোস্বামীৰ ৮৩ সংখ্যক জন্মদিনত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰিছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ উদ্যোগত আৰু গুৱাহাটী জিলা পুথিভঁৰালৰ সহযোগত আজি জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সাহিত্যিকগৰাকীৰ জন্মদিন উদযাপন কৰা হৈছে। অনুষ্ঠানত মন্ত্ৰী যোগেন মহন মুখ্য অতিথি হিচাপে উপস্থিত আছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° মালিনী গোস্বামী আৰু মামণি ৰয়চম গোস্বামী মেম'ৰিয়েল ট্ৰাষ্টৰ সঞ্চালক সবিতা শৰ্মাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জন্মদিনত বিশিষ্ট ঔপন্যাসিকগৰাকীলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

০০০০০০০

**সমাপ্ত**